

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১৫

দিল্লীৰ চুলতানীযুগ

(১২০৬-১৫২৬ খ্ৰীঃ)

অংশ – ৪

পৰিনীতা দেৱী

শিকনৰ ফলাফল

- চুলতানী যুগৰ প্ৰশাসনীয় সংস্কাৰ সমূহ আৰু প্ৰাদেশিক শাসন ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব।
- চুলতানসকলৰ ভূমি প্ৰথা, বজাৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব।
- ভাৰতীয় সমাজ সংস্কৃতিলৈ তুৰ্কী আফগান সকলৰ অৱদান আৰু চুলতানী যুগৰ পতনৰ কাৰণসমূহৰ বিষয়ে জানিব পাৰিব ।

চুলতানী যুগৰ প্ৰশাসনীয় সংস্কাৰসমূহ

- শাসনৰ সুবিধাৰ বাবে চুলতানসকলে সময়ে সময়ে প্ৰশাসন ব্যৱস্থাৰ সালসলনি ঘটাইছিল।
- খিলিজি বংশৰ চুলতান আল্লাউদ্দিন খিলিজিয়ে সাম্ৰাজ্যৰ দূৰ্বলতা নিৰ্ণয় কৰিবলৈ চেষ্টা কৰিছিল।
- তেওঁ গুপ্তচৰ ব্যৱস্থাৰ দূৰ্বলতা, প্ৰজা আৰু বিষয়াবৰ্গৰ মাজত থকা মদ্যপানৰ প্ৰৱণতা, আমিৰ-ওমৰাহসকলৰ অত্যধিক ক্ষমতাৰপৰা

হ'ব পৰা বিপদসমূহ অনুধাৱন কৰি তাৰ বিৰুদ্ধে পদক্ষেপ লৈছিল আৰু স্থায়ী সৈন্যবাহিনী গঠন কৰি বেতন দিয়াৰ ব্যৱস্থা কৰিছিল।

- আল্লাউদ্দিন খিলিজিৰ মুদ্রাসংস্কাৰো আছিল উল্লেখযোগ্য। তেওঁ সোণৰ মুদ্রাৰ প্ৰচলন ঘটাই তাত নিজৰ নাম খোদিত কৰাইছিল।
- তেওঁ নিজকে দ্বিতীয় আলেকজেণ্ডাৰ বুলি ৰাজহুৱাভাৱে ঘোষণা কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- চুলতান মহম্মদ বিন টোগলকেও প্রশাসনিক দিশত সালসলনি কৰিছিল। তেওঁ দিল্লীৰপৰা দৌলতাবাদলৈ ৰাজধানী স্থানান্তৰিত কৰিছিল।
- তদুপৰি তেওঁ সোণ আৰু ৰূপৰ সলনি ব্ৰ'ঞ্জৰ মুদ্ৰাৰ প্ৰচলন কৰিছিল। অৱশ্যে উপযুক্ত পৰিকল্পনাৰ অভাৱত তেওঁৰ আঁচনিসমূহ কার্যকৰী আৰু ফলপ্ৰসূ হৈ উঠা নাছিল।

প্ৰাদেশিক শাসন ব্যৱস্থা

- দাস, খিলিজি আৰু টোগলক বংশৰ চুলতান সকলে শাসনৰ সুবিধাৰ বাবে সাম্ৰাজ্যৰ বিভিন্ন অঞ্চল কিছুমান ভাগত ভাগ কৰিছিল। এই অঞ্চলবোৰক ইকটা আৰু ইয়াৰ অধিকাৰী সকলক ইকটাদাৰ বা মুক্তি বোলা হৈছিল।
- মুফটিসকলে অধিকৃত অঞ্চলবোৰত সামৰিক অভিযান চলোৱাৰ লগতে আইন শৃংখলা বজাই ৰখাতো নজৰ দিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- বিনিময়ত নির্ধাৰিত অঞ্চলসমূহৰপৰা দৰমহা হিচাপে কৰ সংগ্রহ কৰিব পাৰিছিল।



ভূমি প্রথা

- দিল্লীৰ চুলতানসকলৰ ভিতৰত চুলতান আল্লাউদ্দিন খিলজিৰ ভূমি প্রথাৰ সংস্কাৰ মন কৰিবলগীয়া।
- তেওঁ মাটিৰ পৰিমাণৰ ওপৰত ভিত্তি কৰি উৎপাদিত সামগ্রীৰ এক দ্বিতীয়াংশ কৰ হিচাপে নির্ধাৰণ কৰিছিল।

- সেইসময়ত তিনিবিধ কৰৰ ব্যৱস্থা আছিল। যেনে- উৎপন্ন শস্যৰ ওপৰত দিব লগা কৰ, গৰু ম'হৰ ওপৰত দিবলগীয়া কৰ আৰু ঘৰ-বাৰীৰ ওপৰত দিবলগীয়া কৰ।
- চুলতান মহম্মদ বিন টোগলকে সাৰুৱা মাটিৰ ওপৰত কৰ আৰোপ কৰিছিল বুলি জনা যায়।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

বজাৰ নিয়ন্ত্ৰণ ব্যৱস্থা

- সাম্ৰাজ্যৰ অৰ্থনৈতিক সুস্থিৰতাৰ বাবে বজাৰ নিয়ন্ত্ৰণ অতিশয় দৰকাৰী। সেয়েহে চুলতান আল্লাউদ্দিন খিলজিয়ে বজাৰ নিয়ন্ত্ৰণৰ বাবে বিশেষ ব্যৱস্থা হাতত লৈছিল।
- তেওঁ দিবান-ই-ৰিয়াচত আৰু চাহান-ই-মন্দী নামৰ দুজন বিষয়াৰ ওপৰত বজাৰ নিয়ন্ত্ৰণৰ দায়িত্ব অৰ্পণ কৰিছিল।
- নতুনকৈ ব্যৱসায় কৰিবলৈ বিচৰা ব্যক্তিয়ে নাম পঞ্জীয়ন কৰিহে ব্যৱসায় কৰিব পাৰিছিল।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation


- দেশৰ আৱশ্যকীয় খাদ্য-সামগ্ৰীৰ মূল্য নিৰ্ধাৰণ কৰি সাধাৰণ প্ৰজাক সকাহ দিছিল।
- তদুপৰি খাদ্য-শস্য কৰ হিচাপে লৈ ৰাজভৰাঁলত জমা কৰিছিল আৰু প্ৰয়োজনৰ সময়ত সেইবোৰ ৰাজহুৱা ভাবে বিতৰণৰ ব্যৱস্থা কৰিছিল।
- বজাৰ ব্যৱস্থাৰ দুৰ্নীতি ৰোধ কৰিবলৈ দোষীক কঠোৰ শাস্তি দিয়াৰো ব্যৱস্থা কৰিছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

তুৰ্কী-আফগানসকলৰ অৱদান :

- ভাৰতত মধ্য এছিয়াৰ ইছলামিক ধৰ্মৰ প্ৰৱৰ্তন।
- ইছলামিক আৰু মধ্য এছিয়াৰ শিল্প, সংস্কৃতি, স্থাপত্য, আৰু পাৰ্চী আৰু আৰবী ভাষাক ভাৰতীয় সামাজিক-সাংস্কৃতিক ব্যৱস্থালৈ আনিছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

স্থাপত্যৰ অৱদান :


- কুটুব মিনাৰ, আলাই দৰৱাজা, বেগমপুৰী মছজিদ, ইলতুটমিছৰ সমাধি ভাৰতৰ ঐতিহ্যৰ গুৰুত্বপূৰ্ণ অংশ হৈয়েই আছে।





समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



ইলতুটমিছৰ সমাধি



কুটুব মিনাৰ

নগৰ উন্নয়ন :

- নতুন নগৰ নির্মাণৰ ক্ষেত্রত দিল্লীৰ চুলতানসকলে আগভাগ লৈছিল ।
- চুলতান ফিৰোজ শ্বাহ টোগলকে পাঁচখন চহৰ নির্মাণ কৰিছিল : জৌনপুৰ, ফিৰোজাবাদ, ফাতেহাবাদ, ফিৰোজপুৰ, আৰু হিছাৰ ফিৰোজা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

চুলতানীয় যুগৰ পতনৰ আঁৰৰ কাৰণ

- তুৰ্কী শাসকসকলৰ স্বেচ্ছাচাৰী শাসনে ৰজা আৰু প্ৰজাৰ মাজত ব্যৱধান সৃষ্টি কৰিছিল।
- দাসৰ প্ৰতি পক্ষপাতিত্বৰ ফলত তেওঁলোকৰ ক্ষমতা বৃদ্ধি পায় আৰু চুলতানৰ বিৰুদ্ধে বিৰোধিতা কৰে।
- ধৰ্মগুৰু আৰু আমিৰ-উমৰাহৰ অবাধ ক্ষমতাই ৰাজনৈতিক বিশৃংখলতাৰ সৃষ্টি কৰিছিল।



- ধৰ্মীয় নেতা আৰু আমিৰ-ওমৰাহসকলৰ অবাধ ক্ষমতাই ৰাজনৈতিক বিশৃংখলতাৰ সৃষ্টি কৰিছিল ।
- এই সময়চোৱাত ৰাজ্য বিস্তাৰৰ নামত যুদ্ধ-বিগ্ৰহৰ সংখ্যা বাঢ়িছিল যদিও সেনাবাহিনীৰ উন্নয়ন ক্ষেত্ৰত চুলতানসকলে মনোযোগ দিয়া নাছিল।
- ক্ষমতাকেন্দ্ৰিক অৰিয়াঅৰিৰ ফলত সাম্ৰাজ্যৰ ভিতৰচোৱাত প্ৰায়ে অৰাজকতা বিৰাজ কৰিছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

শেষত, টাইমূৰৰ আক্রমণে দূৰ্বল কৰি থোৱা সাম্রাজ্যক বাবৰৰ আক্রমণে সহজেই পতনৰ দিশলৈ লৈ যোৱাত সফল হৈছিল।



মূল্যায়ন



1 | দিল্লীৰ পৰা দৌলতাবাদলৈ কোনে ৰাজধানী স্থানান্তৰিত কৰিছিল ?

A ছুলতান মহম্মদ বিন টোগলক

B আল্লাউদ্দিন খিলিজি

C গিয়াছুদ্দিন বলবন

মূল্যায়ন



2 মুফটিসকলে অধিকৃত অঞ্চলবোৰত সামৰিক অভিযান চলোৱাৰ লগতে আইন শৃংখলা বজাই ৰখাতো নজৰ দিছিল।

A শুদ্ধ

B অশুদ্ধ

মূল্যায়ন





3| চুলতান ফিৰোজ শ্বাহ টোগলকে ৫(পাঁচ) খন চহৰ নিৰ্মাণ কৰিছিল ।